CAREERINDIA

Language Code : **03**

इस पुस्तिका में **20** मुद्रित पृष्ठ हैं।
This booklet contains **20** Printed pages.

# JSS-24-II

**प्रश्न-पत्र-II / PAPER-II**

**असमीया भाषा परिशिष्ट**

**Assamese Language Supplement**

**भाग-IV & V / PART-IV & V**

मुख्य परीक्षा पुस्तिका संख्या / Main Test Booklet No.

मुख्य परीक्षा पुस्तिका कोड / Main Test Booklet Code

**K**

**इस परीक्षा पुस्तिका को तब तक न खोलें जब तक कहा न जाए।**
**Do not open this Test Booklet until you are asked to do so.**
**इस परीक्षा पुस्तिका के पिछले आवरण (पृष्ठ 19 व 20) पर दिए निर्देशों को ध्यान से पढ़ें।**
**Read carefully the Instructions on the Back Cover (Page 19 & 20) of this Test Booklet.**

**असमीया में निर्देशों के लिए इस पुस्तिका का पृष्ठ 2 देखें। / FOR INSTRUCTIONS IN ASSAMESE SEE PAGE 2 OF THIS BOOKLET.**

## परीक्षार्थियों के लिए निर्देश

1. यह पुस्तिका मुख्य परीक्षा पुस्तिका की एक परिशिष्ट है, उन परीक्षार्थियों के लिए जो **या** तो भाग IV (भाषा I) **या** भाग V (भाषा II) **असमीया** भाषा में देना चाहते हैं, लेकिन **दोनों नहीं**।
2. परीक्षार्थी भाग I एवं भाग II **या** III के उत्तर मुख्य परीक्षा पुस्तिका से दें और भाग IV व V के उत्तर उनके द्वारा चुनी भाषाओं से।
3. अंग्रेज़ी व हिन्दी भाषा पर प्रश्न मुख्य परीक्षा पुस्तिका में भाग IV व भाग V के अन्तर्गत दिए गए हैं। भाषा परिशिष्टों को आप अलग से माँग सकते हैं।
4. इस पृष्ठ पर विवरण अंकित करने एवं उत्तर पत्र पर निशान लगाने के लिए **केवल काले/नीले बॉल पॉइंट पेन** का प्रयोग करें।
5. इस भाषा पुस्तिका का **संकेत** है **K**। यह सुनिश्चित कर लें कि इस भाषा परिशिष्ट पुस्तिका का संकेत, उत्तर पत्र के **पृष्ठ-2** एवं मुख्य परीक्षा पुस्तिका पर छपे संकेत से मिलता है। अगर यह भिन्न हो, तो परीक्षार्थी दूसरी भाषा परिशिष्ट परीक्षा पुस्तिका लेने के लिए निरीक्षक को तुरन्त अवगत कराएँ।
6. इस परीक्षा पुस्तिका में **दो** भाग IV और V हैं, जिनमें **60** वस्तुनिष्ठ प्रश्न हैं, जो प्रत्येक 1 अंक का है :
   भाग-IV : भाषा-I (असमीया) (प्र. 91 से प्र. 120)
   भाग-V : भाषा-II (असमीया) (प्र. 121 से प्र. 150)
7. भाग-IV में भाषा-I के लिए 30 प्रश्न और भाग-V में भाषा-II के लिए 30 प्रश्न दिए गए हैं। इस परीक्षा पुस्तिका में केवल असमीया भाषा से संबंधित प्रश्न दिए गए हैं। **यदि भाषा-I और/या भाषा-II में आपके द्वारा चुनी गई भाषा(एँ) असमीया के अलावा है तो कृपया उस भाषा वाली परीक्षा पुस्तिका माँग लीजिए। जिन भाषाओं के प्रश्नों के उत्तर आप दे रहे हैं वह आवेदन पत्र में चुनी गई भाषाओं से अवश्य मेल खानी चाहिए।**
8. **परीक्षार्थी भाग-V (भाषा-II) के लिए, भाषा सूची से ऐसी भाषा चुनें जो उनके द्वारा भाषा-I (भाग-IV) में चुनी गई भाषा से भिन्न हो।**
9. रफ कार्य परीक्षा पुस्तिका में इस प्रयोजन के लिए दी गई खाली जगह पर ही करें।
10. सभी उत्तर केवल OMR उत्तर पत्र पर ही अंकित करें। अपने उत्तर ध्यानपूर्वक अंकित करें। उत्तर बदलने हेतु श्वेत रंजक का प्रयोग निषिद्ध है।

## INSTRUCTIONS FOR CANDIDATES

1. This booklet is a supplement to the Main Test Booklet for those candidates who wish to answer **EITHER** Part IV (Language I) **OR** Part V (Language II) in **ASSAMESE** language, but **NOT BOTH**.
2. Candidates are required to answer Part I and Part II **OR** III from the Main Test Booklet and Parts IV and V from the languages chosen by them.
3. Questions on English and Hindi languages for Part IV and Part V have been given in the Main Test Booklet. Language Supplements can be asked for separately.
4. Use **Black/Blue Ball Point Pen only** for writing particulars on this page/ marking responses in the Answer Sheet.
5. The CODE for this Language Booklet is **K**. Make sure that the CODE printed on **Side-2** of the Answer Sheet and on your Main Test Booklet is the same as that on this Language Supplement Test Booklet. In case of discrepancy, the candidate should immediately report the matter to the Invigilator for replacement of the Language Supplement Test Booklet.
6. This Test Booklet has **two** Parts, IV and V, consisting of **60** Objective Type Questions, each carrying 1 mark :
   Part-IV : Language-I (Assamese) (Q. 91 to Q. 120)
   Part-V : Language-II (Assamese) (Q. 121 to Q. 150)
7. Part-IV contains 30 questions for Language-I and Part-V contains 30 questions for Language-II. In this Test Booklet, only questions pertaining to Assamese language have been given. **In case the language/s you have opted for as Language-I and/or Language-II is a Language other than Assamese, please ask for a Test Booklet that contains questions on that language. The language being answered must tally with the languages opted for in your Application Form.**
8. **Candidates are required to attempt questions in Part-V (Language-II) in a language other than the one chosen as Language-I (in Part-IV) from the list of languages.**
9. Rough work should be done only in the space provided in the Test Booklet for the same.
10. The answers are to be recorded on the OMR Answer Sheet only. Mark your responses carefully. No whitener is allowed for changing answers.

परीक्षार्थी का नाम (बड़े अक्षरों में) : ____________________
Name of the Candidate (in Capitals) :
अनुक्रमांक : (अंकों में) / Roll Number : in figures ____________________
: शब्दों में / in words ____________________
परीक्षा केन्द्र (बड़े अक्षरों में) : ____________________
Centre of Examination (in Capitals) :
परीक्षार्थी के हस्ताक्षर : ____________________ निरीक्षक के हस्ताक्षर : ____________________
Candidate's Signature : Invigilator's Signature :
Facsimile Signature Stamp of
Centre Superintendent : ____________________

www.careerindia.com

CAREERINDIA

Language Code : **03**

# JSS-24-II

**কাকত-II**

**অসমীয়া ভাষা**

**খণ্ড–IV & V**

পৰীক্ষা বহীখনৰ কোড

**K**

এই পৰীক্ষা বহীত 20 টা পৃষ্ঠা আছে

**এই পৰীক্ষা বহীখন তোমাক খুলিবলৈ নোকোৱালৈকে নুখুলিবা।**

**এই পৰীক্ষা বহীখনৰ ওপৰৰ পৃষ্ঠাত (পৃষ্ঠা 19 আৰু 20) থকা নিৰ্দেশনা মনোযোগেৰে পঢ়া।**

***পৰীক্ষাৰ্থীৰ বাবে নিৰ্দেশনা :***

1. এই বহীখন মুখ্য পৰীক্ষণৰ বহীখনৰ সহায়ক হিচাপে সেই সকল পৰীক্ষাৰ্থীক দিয়া হৈছে যি **অসমীয়া** ভাষাৰ খণ্ড IV (ভাষা I) বা খণ্ড V (ভাষা II) উত্তৰ কৰিব বিচাৰে। কিন্তু দুয়োটা খণ্ডৰ উত্তৰ কৰিব নোৱাৰিব।
2. পৰীক্ষাৰ্থীসকলে মুখ্য পৰীক্ষা বহীৰ পৰা I, II, III খণ্ডৰ উত্তৰ কৰিব লাগিব আৰু তেওঁলোকে নিৰ্বাচন কৰা ভাষাৰ খণ্ড IV আৰু V কৰিব লাগিব।
3. ইংৰাজী আৰু হিন্দী ভাষাৰ IV আৰু V খণ্ডৰ প্ৰশ্নসমূহ মুখ্য পৰীক্ষণ বহীৰ লৈতে দিয়া হৈছে। ভাষা সহায়কসমূহ আঁচুতীয়াকৈ লৈ উত্তৰ দিব পাৰিব।
4. এই পৃষ্ঠাত নিৰ্দিষ্ট বিষয়সমূহ কেৱল লিখিবলৈ আৰু উত্তৰসমূহ চিহ্নিত কৰিবলৈ **নীলা/ক'লা বল পেন** ব্যৱহাৰ কৰিবা।
5. এইখন ভাষা বহীৰ কোড হ'ল **K** এইটো নিশ্চিত কৰা যে উত্তৰ বহীৰ **দ্বিতীয় পিঠি,** মুখ্য পৰীক্ষণ বহী আৰু ভাষা সহায়কত একে ধৰণে এই কোডটো লিখা আছে। পৰীক্ষাৰ্থীয়ে ইয়াৰ কিবা খেলিমেলি দেখিলে নিৰীক্ষকক জনাব আৰু ভাষা সহায়ক পৰীক্ষণ বহী সলাই ল'ব।
6. এই পৰীক্ষণ বহীৰ দুটা খণ্ড - চতুৰ্থ আৰু পঞ্চম ইয়াত 60টা চমুধৰণৰ প্ৰশ্ন আছে। প্ৰত্যেক প্ৰশ্নতে 1 নম্বৰকৈ দিয়া হৈছে :

   খণ্ড-IV : ভাষা I (অসমীয়া) (প্ৰশ্ন 91 ৰ পৰা প্ৰশ্ন 120 লৈ)

   খণ্ড-V : ভাষা II (অসমীয়া) (প্ৰশ্ন 121 ৰ পৰা প্ৰশ্ন 150 লৈ)
7. খণ্ড-IV ত ভাষা I ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে আৰু খণ্ড-V ত ভাষা II ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে। এই পৰীক্ষণ বহীত প্ৰশ্নসমূহ কেৱল অসমীয়া ভাষাৰ বাবেহে দিয়া হৈছে। **ভাষাৰ ক্ষেত্ৰত যদি ভাষা-I অথবা ভাষা-II অসমীয়াত বাহিৰে অন্য ভাষাত প্ৰশ্ন দিয়া হৈছে তেনেহ'লে সেই ভাষাটোৰ প্ৰশ্ন থকা পৰীক্ষণ বহী খুজি ল'বা। তোমাৰ প্ৰপত্ৰত উল্লেখ কৰা ভাষাটোতহে পৰীক্ষাৰ উত্তৰ লিখিব পাৰিবা।**
8. **পৰীক্ষাৰ্থীয়ে খণ্ড-V ৰ (ভাষা II) প্ৰশ্নবোৰৰ উত্তৰ খণ্ড -IV (ভাষা I) ত নিৰ্বাচিত কৰা ভাষাৰ দৰে কৰিব লাগিব।**
9. প্ৰশ্নোত্তৰৰ বাদে বাহিৰা কাৰ্য কেৱল পৰীক্ষা বহীত থকা নিৰ্ধাৰিত ঠাইতহে কৰিব পাৰিব।
10. প্ৰশ্নৰ উত্তৰবোৰ কেৱল OMR উত্তৰ কাকতহে লিপিবদ্ধ কৰিব লাগিব। তোমাৰ উত্তৰবোৰ সযত্নে কৰা। উত্তৰ সলাবলৈ বগা অথবা অন্য ৰং ব্যৱহাৰ কৰিব নোৱাৰিবা।

প্ৰাৰ্থীৰ নাম (স্পষ্টভাৱে) : ______________________

ৰোল নম্বৰ : সংখ্যাৰে ______________________

: আখৰেৰে : ______________________

পৰীক্ষাকেন্দ্ৰ (স্পষ্টভাৱে) : ______________________

প্ৰাৰ্থীৰ সহী : ______________ নিৰীক্ষকৰ সহী : ______________

Facsimile signature stamp of
Centre Superintendent ______________________

www.careerindia.com

CAREERINDIA

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা-I (Language-I)** হিচাপে লৈছে, তেনেহ'লে **Part-IV -ৰ (প্ৰশ্ন নং 91 -ৰ পৰা 120 লৈ)** উত্তৰ কৰিব।
Candidates should attempt the questions from **Part-IV (Q.No. 91-120)**, if they have opted **ASSAMESE** as **Language-I** only.

→

www.careerindia.com

CAREERINDIA

# PART-IV

## LANGUAGE-I

## ASSAMESE

| |
|---|
| পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা-I (Language-I)** হিচাপে লৈছে, তেনেহ'লে **Part-IV -ৰ (প্ৰশ্ন নং 91 -ৰ পৰা 120 লৈ)** উত্তৰ কৰিব। |

**নিৰ্দেশ ঃ তলত দিয়া ৰচনাখণ্ড পঢ়ি তাৰ তলত দিয়া প্ৰশ্নসমূহৰ (91 ৰ পৰা 99 লৈ) আটাইতকৈ উপযুক্ত বিকল্পটো বাছি উলিওৱাঁ।**

সতী জয়মতী কুঁৱৰীৰ সময়ত আহোম ৰাজ্যৰ ৰাজনৈতিক পৰিস্থিতি অতি জটিল আছিল। মন্ত্ৰী লালুক সোলা তেতিয়া অসমৰ উঠি-ৰজা বহি-ৰজা হৈছিল। অন্যান্য প্ৰাপ্তবয়স্ক উপযুক্ত কোঁৱৰ থকা সত্বেও লালুক সোলাই চৌধ্যবছৰীয়া চামগুৰীয়া ফৈদৰ সৰু গোহাঞিক আনি ১৬৭৯ চনৰ কাতি মাহত অসমৰ ৰজা পাতিলে। আহোম মতে ছু্য-লিক্-ফা আৰু হিন্দু মতে নাম দিলে ৰত্নধ্বজ সিংহ। বয়সত ল'ৰা দেখি প্ৰজাৰ মাজত ল'ৰা-ৰজা নামটোহে খ্যাত হ'ল।

লালুকসোলাই ছু-লিক্-ফাক ৰজা পাতিয়েই ছু্য-দৈয়-ফা স্বৰ্গদেৱক বিহ খুৱাই মৰালে। আতন বুঢ়াগোহাঁইকো সবংশে ১৬৭৯ চনৰ আঘোণ মাহত বধ কৰোৱালে। আতন বুঢ়াগোহাঁইৰ ঠাইত দিলিহিয়ালৰ দীঘলা লাঙ্গিক বুঢ়াগোহাঁই পাতিলে। জবঙ্গক ভাঙি মাদুৰীৰ লাই থেপেনাক বৰগোহাঁই পাতিলে।

লালুকে নিজ স্বাৰ্থ পূৰণৰ হেতু ল'ৰা ৰজাক সম্বন্ধৰেও বান্ধিলে। তেওঁৰ পাঁচ বছৰীয়া জীয়েকক চৌধ্যবছৰীয়া ল'ৰা ৰজালৈ বিয়া দি ঘাই ৰাণী পাতিলে। বংগৰ নবাৱৰ আশ্বাস পাই লালুকৰ আহোম ৰাজ্যৰ ৰজা হোৱা লালসা প্ৰবল হৈ উঠিল।

ৰাজপৰিয়ালৰ চাৰিটা ফৈদত ৰজা হ'ব পৰা কোঁৱৰ ভালেকেইজন আছিল। তেনে স্থলত লালুক সোলাৰ বাসনা কেনেকৈ পূৰণ হ'ব। তেওঁৰ সেইদেখি ভয় হ'ল বিশেষকৈ এই কোঁৱৰ কেইগৰাকীলৈ। কোনগৰাকীয়ে কেতিয়া বিদ্ৰোহ কৰি সিংহাসন কাঢ়ি লয় তাৰ ঠিক নাই।

লালুকে ল'ৰা ৰজাক ক'লে — 'উপযুক্ত আৰু প্ৰাপ্তবয়স্ক ভালেকেইজন ৰাজকোঁৱৰ থাকোঁতেও তেওঁক ৰজা পতা হ'ল। এই কথা কোঁৱৰসকলে সহ্য কৰিব পৰা নাই। কোনজন কোঁৱৰে কেতিয়া স্বৰ্গদেৱৰ প্ৰাণ লয় ঠিক নাই। গতিকে নিষ্কণ্টক হ'বলৈ হ'লে কোঁৱৰকেইগৰাকীক অঙ্গক্ষত কৰি ৰজা হোৱাৰ যোগ্যতা নাইকিয়া কৰিব লাগিব আৰু তাকে কৰিবলৈ হ'লে প্ৰথমতে ভয় থকা ডাঙৰীয়া-বিষয়াসকলক আঁতৰাই পঠাব লাগিব। ল'ৰা ৰজাৰ মগজত লালুকৰ যুক্তি সোমাই গ'ল। লগে লগে লালুকে কোঁৱৰ নিধন পৰ্ব আৰম্ভ কৰিলে।

তুং-খুঙীয়া ফৈদৰ লাঙ্গি গদাপাণিৰ বাহিৰে বাকী আটাইকেইটা ফৈদৰ কোঁৱৰকে লালুক বৰফুকনে হয় অঙ্গক্ষত নহয় হত্যা কৰিলে। গোবৰ ৰজাৰ কোঁৱৰ লাঙ্গি গদাপাণিক ধৰিব নোৱৰাত লালুক-সোলাৰ শোৱন-থাৱন নাইকিয়া হ'ল। মন্ত্ৰী লাই থেপেনা বৰগোহাঁই গদাপাণিৰ শহুৰেক আৰু নামনি অসমৰ বদন বৰফুকন তেওঁৰ ভিনীহিয়েক আছিল। ইফালে গদাপাণি কোঁৱৰক ধৰাহে নালাগে, তেওঁনো ক'ত আছে তাৰ কোনো সন্ধেদ উলিয়াব নোৱাৰিলে। গদাপাণিৰ পত্নী আছিল জয়মতী কুঁৱৰী।

**91.** বদন বৰফুকন কাৰ ভিনীহিয়ে আছিল ?

(1) লাঙি গদাপানিৰ
(2) লাই থেপেনা বৰগোহাঁইৰ
(3) মান ৰজালৈ দিয়া কুঁৱৰীৰ
(4) ল'ৰা ৰজাৰ

**92.** আতন বুঢ়াগোহাঁইৰ নিধনৰ পাছত তেওঁৰ মন্ত্ৰী পদত কাক বহুওৱা হৈছিল ?

(1) দীঘলা লাঙিক
(2) জবঙক
(3) লালুক সোলা বৰফুকনক
(4) লাই থেপেনা বৰগোহাঁইক

www.careerindia.com

CAREERINDIA

**93.** লালুক সোলাৰ আহোম ৰাজ্যৰ ৰজা হোৱা লালসা তীব্ৰ হৈ উঠাৰ অন্তৰালত কি আছিল ?

(1) বংগৰ নবাৱৰ আশ্বাস

(2) ল'ৰা ৰজা ছ্যু-লিক্-ফাৰ আশ্বাস

(3) আতন বুঢ়াগোহাঁইৰ হত্যা

(4) ৰজা হোৱাৰ উপযুক্ত কেইবাজনো ৰাজকোঁৱৰৰ অংগক্ষত আৰু হত্যা

**94.** ছ্যু-লিক্-ফা ৰাজপাটত উঠা আৰু আতন বুঢ়াগোহাঁই আৰু তেওঁৰ গোটেই পৰিয়ালটোৰ হত্যাকাণ্ডৰ মাজত সময়ৰ ব্যৱধান কিমান আছিল ?

(1) দুয়োটা ঘটনা সম্পূৰ্ণ একেলগেই সংঘটিত হৈছিল

(2) দহ বছৰৰ

(3) প্ৰায় এমাহৰ

(4) প্ৰায় এবছৰৰ

**95.** ৰত্নধ্বজ সিংহ কাৰ নাম আছিল ?

(1) গদাপাণিৰ (2) ছ্যু-ডাং-ফাৰ (3) ছ্যু-দৈয়-ফাৰ (4) ছ্যু-লিক্-ফাৰ

**96.** লালুক সোলা বৰফুকনে কেতিয়া ল'ৰা ৰজাক ৰাজপাটত বহুৱাইছিল ?

(1) সোতৰ শতিকাৰ প্ৰাৰম্ভনিত (2) ওঠৰ শতিকাৰ প্ৰাৰম্ভনিত

(3) সোতৰ শতিকাৰ দ্বিতীয়াৰ্ধত (4) যোড়শ শতিকাৰ মাজভাগত

**97.** 'গদাপানি' শব্দটো কোনবিধ সমাসৰ উদাহৰণ ?

(1) কৰ্মধাৰয় (2) বহুব্ৰীহি (3) দ্বন্দ্ব (4) তৎপুৰুষ

**98.** স্বৰ্গদেউ ছ্যু-লিক্-ফাৰ বিষয়ে অশুদ্ধ উক্তিটো বাছি উলিওৱাঁ।

(1) তেওঁ আছিল চামগুৰীয়া ফৈদৰ সৰু গোহাঞি

(2) প্ৰজাৰ মাজত তেওঁ ল'ৰা-ৰজাৰূপে জনাজাত আছিল

(3) ৰাজপাটত বহাৰ সময়ত তেওঁৰ বয়স তেতিয়াও কুৰি চুবলৈ চাৰি বাকী

(4) মন্ত্ৰী লালুক সোলাৰ কন্যা তেওঁৰ প্ৰধান মহিষী আছিল

**99.** "পথৰ বাধা বা কাঁইট নোহোৱা হোৱা"— এটা শব্দত প্ৰকাশ কৰাঁ।

(1) অংগক্ষত (2) অবাধ (3) মুক্ত (4) নিষ্কণ্টক

www.careerindia.com

CAREERINDIA

**নিৰ্দেশ ঃ তলত দিয়া কবিতাটো পঢ়ি তাৰ তলত দিয়া প্ৰশ্নসমূহৰ (100 ৰ পৰা 105 লৈ) উত্তৰ কৰাঁ।**

জীৱনে মোৰ কাষলৈ আহি মোক এপাহি ফুল দি গ'ল।
মই সেই ফুলপাহি সাবটি বুকুত থলো। জীৱনে আকৌ
এবাৰ আহি মোক এটি ধুনীয়া মুকুতা দিলেহি ! মই
তাক সোণেৰে বন্ধাই বুকুত আঁৰি ললোঁ। মোৰ বৰ
পিয়াহ লাগিল........ প্ৰাণ যায় যায় যেন হ'ল.........
জীৱনে মোৰ কাষলৈ আহি এপিয়লা পানী দি গ'ল.......
তাক মই বৰ হেঁপাহেৰে খাই শেষ কৰিলোঁ। এইবাৰ
জীৱন আহি মোলৈ এটি ধুনীয়া উজ্জ্বল পোহৰ পেলালে !
মই এই পোহৰ ধৰিবলৈ যত্ন নকৰি মাথোন ক'লোঁ
"ধুনীয়া পোহৰ ! আৰু ধুনীয়া হৈ দূৰদূৰণিৰ বাট
উজলাই দিয়া। তুমি হাতৰ মুঠিৰ মাজত থকা বস্তু
নহয়। তোমাৰ কাম দূৰ-সুদূৰৰ বাট উজলাই
আগুৱাই লৈ যোৱা..... আগলৈ..... আৰু আগলৈ......।"

**100.** ফুলপাহি কবিয়ে কি কৰিছিল ?

(1) বুকুত সাৱটি লৈছিল
(2) এপিয়লা পানীত জীয়ন দি থৈছিল
(3) দুহাতৰ মুঠিৰ মাজত ৰাখিছিল
(4) আঁজলি পাতি গ্ৰহণ কৰিছিল

**101.** কবিক 'জীৱনে' দিয়া বস্তুবোৰৰ ভিতৰত তলত দিয়া কোনটোৰ উল্লেখ নাই ?

(1) ফুল
(2) পানীৰ পিয়লা
(3) সোণ
(4) মুকুতা

**102.** কবিয়ে কি সোণেৰে বন্ধোৱা বুলি কৈছে ?

(1) জীৱন
(2) অমূল্য উপদেশ এটি
(3) মুকুতা
(4) হৃদয়

**103.** "তুমি হাতৰ মুঠিৰ মাজত থকা বস্তু নহয়।"—কবিয়ে ইয়াত কি বস্তুৰ কথা কৈছে ?

(1) কবিৰ প্ৰিয়তমা
(2) জীৱন
(3) উজ্জ্বল মুকুতামণি
(4) উজ্জ্বল পোহৰ

**104.** 'জীৱনে' কবিক কেইটা বস্তু দিয়াৰ কথা উল্লেখ আছে ?

(1) চাৰিটা
(2) ছটা
(3) দুটা
(4) তিনিটা



www.careerindia.com

CAREERINDIA

**105.** কবিয়ে কাক উদ্দেশ্য কৰি এটি সংলাপ মাতিছিল ?

(1) প্ৰিয়তমাক (2) উজ্জ্বল পোহৰটোক (3) এপাহ ফুলক (4) জীৱনক

**106.** শিক্ষক, শিক্ষাৰ্থী আৰু শিক্ষণ সামগ্ৰীৰ ওপৰত পৰীক্ষা আৰু মূল্যায়নৰ প্ৰভাৱক কি বুলি কোৱা হয় ?

(1) শ্ৰেণীকক্ষীয় প্ৰভাৱ (2) প্ৰবলীকৰণ বা পুনৰসবলীকৰণ

(3) কৰ্পাছ প্ৰভাৱ (4) ৱাশ্ব্‌বেক প্ৰভাৱ

**107.** তলত **'A' স্তম্ভত** দিয়া ভাষা শিক্ষণৰ পদ্ধতিবোৰৰ সৈতে **'B' স্তম্ভত** দিয়া সেইবোৰৰ কাৰ্যাদি মিলোৱাঁ।

| | **'A'** | | **'B'** |
|---|---|---|---|
| (a) | যোগাযোগমূলক ভাষা শিক্ষণ | (i) | সামাজিকভাৱে স্বীকৃত আৰু প্ৰসংগ অনুসাৰে উপযুক্ত ভাষা |
| (b) | প্ৰত্যক্ষ পদ্ধতি | (ii) | মনে মনে কৰা পঠন |
| (c) | ব্যাকৰণ অনুবাদ পদ্ধতি | (iii) | লিখিত সাহিত্য পাঠ |
| (d) | ৰেষ্টৰ নব্য পদ্ধতি | (iv) | আগমন বা আৰোহী পদ্ধতি (inductively) ব্যাকৰণ শিকোৱা |

(1) (a)-(iii), (b)-(i), (c)-(ii), (d)-(iv)

(2) (a)-(ii), (b)-(i), (c)-(iv), (d)-(iii)

(3) (a)-(i), (b)-(iv), (c)-(iii), (d)-(ii)

(4) (a)-(iv), (b)-(ii), (c)-(iii), (d)-(i)

**108.** মৌখিক হওক বা নহওক, যিকোনো ভাষাৰ শিকন অভ্যাস গঠনৰ দ্বাৰা হয় বুলি শিকনৰ কোনটো ধাৰাই বিশ্বাস কৰে ?

(1) সংজ্ঞানাত্মক বা বোধাত্মক (Cognitive)

(2) সহক্ৰিয়াবাদ বা ভাব-বিনিময়বাদ (Interactionalist)

(3) কাৰ্যশীল বা কাৰ্যানুৰূপবাদ (Functionalist)

(4) আচৰণবাদ (Behaviourist)

**109.** পঞ্চম মানৰ ছাত্ৰ-ছাত্ৰীক ভাষা শিকাবৰ কাৰণে শিক্ষকে শ্ৰেণীলৈ প্ৰতিদিনে বাতৰি কাকত, মেন্যু আৰু ৰেলৰ টিকট আদি লৈ আনে। এই ক্ষেত্ৰত শিক্ষকগৰাকীয়ে কি কৰিছে ?

(1) বাস্তৱ জীৱনৰ পৰিস্থিতিত ছাত্ৰ-ছাত্ৰীক ইংৰাজী শিকাবলৈ চেষ্টা কৰিছে।

(2) শিকাৰুৰ মাজত সজাগতাৰ সৃষ্টি কৰিছে।

(3) শিকন অধিক বাস্তৱানুগ আৰু ফলপ্ৰসূ হ'বৰ কাৰণে নিৰ্ভৰযোগ্য সামগ্ৰীৰ ব্যৱহাৰ কৰিছে।

(4) শিকাৰুক কেইবাটাও ভাষা শিকোৱাৰ চেষ্টা কৰিছে।

www.careerindia.com

CAREERINDIA

110. তলৰ কোনটো উক্তি ভাৰতত ভাষাৰ ক্ষেত্ৰত শুদ্ধ নহয় ?

(1) সংস্কৃত এটা আধুনিক ভাৰতীয় ভাষা।

(2) ভাৰতীয় উপমহাদেশৰ সংযোগী ভাষা বা lingua franka হৈছে হিন্দী।

(3) ভাৰতীয় সংবিধান অনুসৰি ইংৰাজী হৈছে এটা সহযোগী চৰকাৰী ভাষা।

(4) ভাৰতীয় সংবিধানৰ অষ্টম সূচী অনুসৰি বাইশটা ভাষা অন্তৰ্ভুক্ত কৰা হৈছে।

111. ভাৰতত বহুভাষিকতাৰ ক্ষেত্ৰত কোনটো প্ৰযোজ্য ?

(1) বিবিধতাপূৰ্ণ সমাজত 'এটা ভাষা সূত্ৰ' গঠন কৰা উচিত।

(2) ভাষা, পৰিচয় আৰু সংস্কৃতি — তিনিওটা ভিন ভিন।

(3) যোগাযোগ সংঘটিত হয়, আৰু সমাজত ঐক্যবদ্ধতা বৰ্তি থাকে।

(4) কতৃত্বশীল ভাষাবোৰৰ সৈতে সৰু সৰু ভাষাবোৰ লগ লগা উচিত।

112. কাহিনী এটাৰ ক্ষেত্ৰত স্থান আৰু কাল হৈছে —

(1) প্লট (Plot)

(2) শীৰ্ষবিন্দু (Climax)

(3) বিষয়সাৰ বা থীম্ (Theme)

(4) চেটিং (Setting)

113. তলৰ কোনটো 'শ্ৰৱণ'ৰ লগত জড়িত বা 'শ্ৰৱণ'ৰ অন্তৰ্ভুক্ত ?

(1) বিষয়টোত থকা পূৰ্বজ্ঞানৰ ব্যৱহাৰ কৰা।

(2) ধ্বনিবোৰ চিনাক্ত কৰা আৰু সেইবোৰৰ অৰ্থ উলিওৱাঁ।

(3) ধ্বনি শুনা আৰু সেইবোৰৰ হুবহু অৰ্থ উদ্ধাৰ কৰা।

(4) বিষয়বস্তুটো অনুমান কৰা।

114. 'শ্ৰৱণ'-ৰ পাঠ এটাৰ পৰিকল্পনা কৰোতে তলত দিয়া কোনটো গুৰুত্বপূৰ্ণ কাৰক নহয় ?

(1) কথকৰ লিংগ

(2) কথকৰ সংখ্যা

(3) ৰেকৰ্ডিংটো বা বাণীবন্ধনটো মাজতে অলপ সময়ৰ কাৰণে ৰখোৱা

(4) কথন উপস্থাপনৰ গতিবেগ

www.careerindia.com

CAREERINDIA

**115.** তলত উল্লেখ কৰাকেইটাৰ ভিতৰত কোনটো ভাষাৰ গ্ৰহণশীল দক্ষতা বুলি জনা যায় ?

(1) পঠন আৰু লিখন
(2) শ্ৰৱণ আৰু পঠন
(3) শ্ৰৱণ আৰু কথন
(4) কথন আৰু লিখন

**116.** ৰেষ্টুৰেন্টত ব্যৱহৃত শব্দভাণ্ডাৰ পৰিচয় কৰাবৰ কাৰণে শিক্ষকে দিয়া পাঠ বা কাৰ্যৰ উদ্দেশ্য কি ?

(1) বন্ধৰ দিন ক'ৰবাত ফুৰিবলৈ যোৱাৰ বিষয়ে পাঠ এটা আৰম্ভ কৰা।
(2) সমালোচনাত্মক চিন্তনৰ বিকাশ কৰা।
(3) আভিধানিক শব্দবোৰৰ সৈতে শিক্ষাৰ্থীক পৰিচয় কৰোৱা।
(4) শিক্ষাৰ্থীক ব্যাকৰণৰ বিষয়ৰ সৈতে পৰিচয় কৰোৱা।

**117.** ভাষাৰ শ্ৰেণী এটাত শিক্ষকৰ তত্বাৱধানত ছাত্ৰ-ছাত্ৰীসকলে গোটত ভাগ হৈ নিৰ্দিষ্ট বিষয় এটাৰ বিজ্ঞাপন প্ৰস্তুত আৰু উপস্থাপন কৰিছে। ভাষা শিকাৰ এই ধৰণটো হৈছে —

(1) ভাষাৰ খেল
(2) নিৰ্দেশনা আৰু পৰামৰ্শ
(3) সহযোগিতামূলক শিকন
(4) প্ৰতিযোগিতা আৰু বিৰোধিতা

**118.** সুৰলহৰ, সুৰ, শ্বাসাঘাত, লয় আদি ভাষিক কাৰ্যবোৰ হৈছে —

(1) ধ্বনিতত্ত্ব
(2) ব্যৱহাৰিকতাবাদ বা উপযোগিতাবাদ
(3) কবিতা
(4) ছন্দশাস্ত্ৰ

**119.** ভাষাৰ শ্ৰেণী এটাত শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলৰ এটা গোটক গ্ৰাহক, বিক্ৰেতা, ভাৰাতীয়া, ভাৰাঘৰৰ মালিক আদিৰূপে কথোপকথন কৰিবলৈ দিছে আৰু শ্ৰেণীটোৰ বাকী ছাত্ৰ-ছাত্ৰীবোৰে সেয়া উপভোগ কৰিছে। এই কাৰ্যটো হৈছে —

(1) অভিনয়ৰ শ্ৰেণী
(2) নিৰ্দেশনা
(3) চৰিত্ৰ ৰূপায়ন
(4) নাটক

**120.** বিদ্যালয়সমূহে যোগাত্মক দ্বিভাষাবাদ অনুসৰণ কৰা উচিত। কাৰণ, ই —

(1) শিশুৰ ভাষাক উৎসাহিত কৰে, কিন্তু সংস্কৃতিক নকৰে।
(2) প্ৰথম ভাষাৰ বিকাশত বাধাৰ সৃষ্টি কৰে।
(3) শিশুৰ ভাষা আৰু সংস্কৃতিক মূল্য দিয়ে।
(4) দ্বিতীয় ভাষা হিচাপে ইংৰাজী শিকোৱাত গুৰুত্ব দিয়ে।

www.careerindia.com

CAREERINDIA

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা-II (Language-II)** হিচাপে লৈছে, তেনেহ'লে **Part-V -ৰ (প্ৰশ্ন নং 121 -ৰ পৰা 150 লৈ)** উত্তৰ কৰিব।

Candidates should attempt the questions from **Part-V (Q.No. 121-150)**, if they have opted **ASSAMESE** as **Language-II** only.

→

www.careerindia.com

CAREERINDIA

## PART–V

## LANGUAGE–II

## ASSAMESE

| |
|---|
| পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা-II (Language-II)** হিচাপে লৈছে, তেনেহ'লে **Part-V -ৰ (প্ৰশ্ন নং 121 -ৰ পৰা 150 লৈ)** উত্তৰ কৰিব। |

**নিৰ্দেশ ঃ তলত দিয়া ৰচনাখণ্ড পঢ়ি তাৰ তলত দিয়া প্ৰশ্নসমূহৰ (121 ৰ পৰা 128 লৈ) আটাইতকৈ উপযুক্ত বিকল্পটো বাছি উলিওৱাঁ।**

দ্বিতীয়দিনাৰ আমাৰ ভ্ৰমণৰ কাৰ্যসূচী ঠিক পুৱাতে আৰম্ভ হৈছিল। বিশাল স্কাইস্ক্ৰেপাৰ আৰু খলপা-খলপে সাজি উলিওৱা একা-বেঁকা ফ্লাইঅ'ভাৰৰ বুকুৰেদি গৈ থাকোঁতে কুৱালালামপুৰৰ নতুনকৈ বিকশিত হোৱা এলেকাবোৰ দেখা পাইছিলোঁ। ৰজাৰ ৰাজপ্ৰাসাদ, ছহিদ স্মাৰক দৰ্শন কৰি এটা সময়ত কুৱালালামপুৰ নগৰৰ মুখ্য আকৰ্ষণ পেট্ৰনাজ টাৱাৰৰ ওচৰ পাইছিলোঁগৈ। ঠিক কাষতে মালয়েছিয়াৰে কাৰ ৰেছ স্কোৱাৰ। টাৱাৰটোলৈ সোমাই যাওঁতে তলৰ মহলাকেইটাত ছুৰ্যা কেএলছিছি নামৰ বিশাল শ্বপিংমলটো দেখা পাইছিলোঁ। কেইটামান স্মৃতিচিহ্ন ক্ৰয় কৰি লিফটৰ ফালে যাওঁতে লক্ষ্য কৰিছিলোঁ এটা দুখলপীয়া লিফট। তলৰ খলপাটোৱে ৮৮ মহলাৰ আকাশচুম্বী অট্টালিকা দুটাৰ যুগ্ম সংখ্যাৰ মহলালৈ আৰু ওপৰৰ খলপাটোৱে অযুগ্ম সংখ্যাৰ মহলালৈ যাত্ৰী কঢ়িয়াই লৈ যায়। কংক্ৰিট আৰু কাচৰ অপূৰ্ব ব্যৱহাৰৰ যোগেদি ফুটাই তুলিব খোজা মানুহৰ কাৰিকৰী দক্ষতাৰ বিস্ময়কৰ নিদৰ্শন এই যুৱীয়া অট্টালিকা দুটা নেদেখিলে অনুমান কৰিব নোৱাৰি। মুঠ ৮৮ মহলীয়া স্তম্ভ দুটাৰ ৪১ আৰু ৪২ মহলা দুটা এটা দুখলপীয়া কৰিডৰৰ যোগেদি সংলগ্ন হৈ আছে। নিৰ্মাণ ব্যয় কমাবলৈ লো-তীখাৰ সলনি এটা বিশেষ ৰাসায়নিক প্ৰক্ৰিয়াৰে উৎপাদন কৰা বিশেষ ৰেইৰ্ফছড ছিমেণ্টৰ সহায়ত টাৱাৰ দুটা নিৰ্মাণ কৰা হৈছে। ইয়াৰ ফলত তুলনামূলকভাৱে এই অতিকায় গঠন দুটা নিহিত হৈ থকা অতিমাত্ৰা ওজনে অতি বেগত অহা সামুদ্ৰিক বতাহৰ বিপক্ষে থিয় দি থাকিব পাৰিছে। বিভিন্ন মহলাৰ বেৰবোৰত জনগোষ্ঠীবোৰৰ পৰম্পৰাগত কলা-সংস্কৃতিক প্ৰতিবিম্বিত কৰা বিভিন্ন চিত্ৰপট আঁকা আছে। টাৱাৰ দুটাৰ ৪২ মহলীয়া ছাতৰপৰা নীলিম আকাশৰ সীমাহীন দিগন্তলৈ দৃষ্টি নিক্ষেপ কৰোঁতে মনলৈ আহিছিল কল্পনাক বাস্তৱৰ ৰূপ দিয়া মানুহৰ অবিৰত চেষ্টাই এদিন হয়তো আকাশ স্পৰ্শ কৰিব। এটা মাথোঁ আঘাততে তাচপাতৰ খহি পৰা নিউয়ৰ্কৰ 'ৱৰ্ল্ড ট্ৰেড ছেণ্টাৰ'ৰ দৃশ্যটোলৈ মনত পৰোঁতে ভাব হৈছিল কিমান মানুহৰ কল্পনা আৰু শ্ৰমৰ বিনিময়ত এনে ধৰণৰ সৃষ্টিবোৰ গঢ়ি উঠে, য'ত প্ৰতিবিম্বিত হয় এটা জাতিৰ অদম্য কৰ্মস্পৃহা আৰু আকাশ স্পৰ্শ কৰিব খোজা দুৰ্দান্ত ইতিহাস। পেট্ৰনাজ গ্ৰুপ অৱ কোম্পানিৰ অধীনত থকা এই টাৱাৰ দুটাত বহুতো বহুৰাষ্ট্ৰীয় কোম্পানিৰ কাৰ্যালয় অৱস্থিত। নগৰখনৰ ৰাস্তা-ঘাট, যাতায়াত আৰু জীৱনশৈলী যিকোনো এখন উন্নত ৰাষ্ট্ৰৰ সমকক্ষ। আকাশচুম্বী অট্টালিকা, বহুতৰপীয়া একা-বেঁকা ফ্লাইঅ'ভাৰেৰে সংযোজিত পথ পৰিবহন ব্যৱস্থাৰে নগৰৰ মূল অঞ্চলবোৰ উন্নত মানেৰে সজাই-পৰাই ৰখা হৈছে। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত এখন সুন্দৰ আৰু সমৃদ্ধিশালী ৰাষ্ট্ৰ হিচাপে দাঙি ধৰিবৰ বাবে চৰকাৰ আৰু জনগণ বদ্ধপৰিকৰ।

আবেলিলৈ আমি যাত্ৰা কৰিছিলোঁ মূল নগৰৰ ২৬ কিল'মিটাৰ দূৰত অৱস্থিত পুত্ৰজয়া নামৰ ছেটেলাইট নগৰখনলৈ। সম্পূৰ্ণ পৰিকল্পিতভাৱে গঢ়ি তোলা এই নগৰখনলৈ মালয়েছিয়া ফেডাৰেল প্ৰশাসনিক কাৰ্যালয়বোৰ স্থানান্তৰ কৰা হৈছে। নগৰখনত কেইবাটাও বহুমহলীয়া লেণ্ডমাৰ্ক অট্টালিকা নিৰ্মাণ কৰা হৈছে।

তৃতীয় দিনাৰ আমাৰ ভ্ৰমণ তালিকাত অন্তৰ্ভুক্ত আছিল কুৱালালামপুৰৰপৰা ৮০ কিল'মিটাৰ দূৰত্বৰ পাহাৰৰ চূড়াত নিৰ্মিত গেনটিং নামৰ ঠাইখন। গেনটিঙৰ দৰে পাহাৰৰ চূড়াক পৰ্যটকৰ বাবে আকৰ্ষণীয় কৰি গঢ়ি তোলাৰ ব্যৱস্থা অতি প্ৰশংসনীয়। হোটেল, থিম পাৰ্ক আৰু বৃহৎ কেছিন'বিলাকৰ পৰিচালনা আৰু ব্যৱস্থাপনাত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে প্ৰায় ৩৫ হাজাৰ নিয়োগ সৃষ্টি কৰা হৈছে। ইয়াত থকা কেছিন'বোৰ সমগ্ৰ বিশ্বৰ ধনী শ্ৰেণীটোৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু। কেইবাখনো পঞ্চতাৰকা হোটেল আৰু কেইবাখনো থিম পাৰ্ক থকা এই অঞ্চলটো স্থলপথ, ৰ'পৱেদ্বাৰা সংযোজিত। ইয়াত থকা 'দা ফাষ্ট ৱৰ্ল্ড' নামৰ ৬,১১৮ কোঠাযুক্ত হোটেলখন বিশ্বৰ চতুৰ্থ বৃহত্তম হোটেল। ২০০৮ চনত লাছ ভেগজৰ 'দা পালজ' নামৰ হোটেলখনৰ সম্প্ৰসাৰণ নোহোৱালৈকে 'দা ফাষ্ট ৱৰ্ল্ড' বিশ্বৰ সৰ্ববৃহৎ সাত তাৰকাযুক্ত হোটেল আছিল। দিনটো 'দা ফাষ্ট ৱৰ্ল্ড' হোটেলখনৰ তলতে থকা বিশাল থিম পাৰ্কখনৰ বিভিন্ন মনোৰঞ্জনধৰ্মী কাৰ্যকলাপৰ লগত পৰিয়ালৰ সকলোটিৰে সৈতে ব্যস্ত আছিলোঁ।

www.careerindia.com

CAREERINDIA

**121.** 'সামুদ্রিক' শব্দটোৰ প্ৰত্যয় ভাঙি দেখুওৱাঁ।

(1) সমুদ্ৰ + ইক্ (2) সামুদ্ৰ + ইক্

(3) সা + মু + দ্ৰ + ই + ক (4) সা + মুদ্ৰিক্

**122.** বিশ্বৰ চতুৰ্থ বৃহত্তম বুলি উল্লেখ কৰা হোটেলখনৰ কোঠাৰ সংখ্যা কিমান ?

(1) ছহেজাৰ এশ ওঠৰটা (2) ছশ ওঠৰটা

(3) ছহেজাৰটা (4) ওঠৰশটা

**123.** তলত দিয়া শব্দকেইটাৰ ভিতৰত কোনটো 'অট্টালিকা' শব্দটোৰ সমাৰ্থসূচক ?

(1) হাউলি (2) আকাশচুম্বী (3) প্ৰাসাদ (4) হৰ্ম্য

**124.** সুপৰিকল্পিত ছেটেলাইট নগৰখনলৈ লেখকে কেতিয়া যাত্ৰা কৰিছিল ?

(1) ভ্ৰমণৰ তৃতীয় দিনা পুৱা (2) ভ্ৰমণৰ প্ৰথম দিনা আবেলি

(3) ভ্ৰমণৰ প্ৰথম দিনা পুৱা (4) ভ্ৰমণৰ দ্বিতীয়া দিনা আবেলি

**125.** গদ্যাংশটোত বৰ্ণিত যুৰীয়া অট্টালিকা দুটাৰ ঠিক ওচৰতে কি আছে ?

(1) ছহিদ স্মাৰক (2) ৰাজপ্ৰসাদ আৰু ছহিদ স্মাৰক দুয়োটাই

(3) কাৰ ৰেচ স্কোৱাৰ (4) ৰাজপ্ৰসাদ

**126.** মালয়েছিয়া ফেডাৰেল প্ৰশাসনৰ বিভিন্ন কাৰ্যালয়বোৰ ক'ত আছে ?

(1) গেনটিঙত (2) পুত্ৰজয়াত

(3) ছুৰ্যা কেএলছিছিত (4) পেট্ৰ'নাজ টাৱাৰত

**127.** "ইয়াত থকা কেছিন'বোৰ সমগ্ৰ বিশ্বৰে ধনী শ্ৰেণীটোৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু।" — উদ্ধৃত বাক্যটোৰ প্ৰথম শব্দটো হৈছে ঃ

(1) বিশেষ্য (2) বিশেষণ (3) সৰ্বনাম (4) অব্যয়

**128.** বিভিন্ন জনগোষ্ঠীয় চিত্ৰপট ক'ত আঁকা আছে ?

(1) বিশাল শ্বপিং মলটোৰ ভিতৰত

(2) যুৰীয়া অট্টলিকাটোৰ ভিতৰৰ মহলাবোৰৰ দেৱালবোৰত

(3) কেছিন'ৰ দেৱালবোৰত

(4) পাহাৰৰ চূড়াত নিৰ্মিত গেনটিঙত

www.careerindia.com

CAREERINDIA

**নিৰ্দেশ ঃ তলত দিয়া গদ্যাংশ পঢ়ি তাৰ তলত দিয়া প্ৰশ্নসমূহৰ (129 ৰ পৰা 135 লৈ) আটাইতকৈ উপযুক্ত বিকল্পটো বাছি উলিওৱাঁ।**

সাধাৰণতে খামতিসকলে তেওঁলোকৰ মাঘবিহুৰ মেজিটো ছকোণীয়াকৈ সাজে যদিও সুবিধা অনুসৰি ইয়াক চাৰি, ছয়, আঠ, বাৰ আদি যুৰীয়া কোণ (চুকীয়াকৈ) কৰিও সাজিব পাৰে। কেৱল কোণকেইটা বিযুৰীয়া হ'ব নালাগে। মেজিটো সাজিবলৈ প্ৰথমে ফালি থোৱা টুকুৰা কাঠেৰে (খৰি) ফ্ৰেইমৰ দৰে এটা আৰ্হি প্ৰস্তুত কৰি লয়। মেজিটো কেইটা চুক বা কোণ দি সাজিব, সেই কথা ফ্ৰেইমটো সাজোঁতেই নিৰ্ধাৰণ কৰি লোৱা হয়। চাৰিটা হ'লে চাৰি টুকুৰা, ছটা হ'লে ছটুকুৰা কাঠেৰে কোণীয়াকৈ ফ্ৰেইমটো প্ৰস্তুত কৰি লয়। এই ফ্ৰেইমটোক তেওঁলোকে 'হৃত-তা-ফাই' বুলি কয়। এই ফ্ৰেইমৰ চুক অনুসৰি প্ৰতিটো চুক বা কোণতে দুডালকৈ দীঘল বাঁহ (ছকোণীয়া হ'লে বাৰডাল বাঁহ), তিনি-চাৰি ফুট দকৈ গাঁত খান্দি প্ৰথমে পুতি লোৱা হয়। এডাল বাঁহ ফ্ৰেইমটোৰ (হৃত্-তা-ফাই) বাহিৰত, আনডাল ভিতৰত থাকে। এই বাঁহডালক তেওঁলোকে 'মাই-প' বা 'মাই-কপ' বুলি কয়। প্ৰতিটো কোণত থকা এই দীঘল বাঁহক পাছত কলপতুৰাৰে ঢাকি দিয়া হয়। ফ্ৰেইমটোৰ আৰ্হিতে (ঘৰটো বেৰ দিয়াৰ দৰে) বাঁহৰ মাজত টুকুৰা কৰি শুকুৰাই থোৱা খৰিবোৰ জাপি দিয়ে। পথালিকৈ জপা এই খৰিবোৰৰ নাম 'মাই-মাউ' । মেজিটোৰ খালী হৈ থকা মাজ অংশটোত ফলা বাঁহ আৰু কাঠ খৰি (মাই-চেম অৰ্থাৎ লাগনি) থিয়কৈ ভৰাই দিয়ে। মাঘ বিহুত খৰি-মেজিৰ মাজত দিয়াৰ দৰে থিয়কৈ দিয়া এই খৰিবোৰৰ মাজত ফুটিবলৈ গোটা বাঁহো (মাই-টেক) ভৰাই দিয়ে আৰু মেজি জ্বলোৱাৰ সময়ত বাঁহবোৰ ফুটিলে ধ্বনি দিয়া হয়।

মেজিটোৰ একেবাৰে তলৰ অংশক 'প্লাং' (আসন) বুলি কয়। এই অংশটো মাটিৰপৰা প্ৰায় তিনি ফুট ওখকৈ তামোল-পাণৰ বটাৰ আৰ্হিত বাঁহেৰে প্ৰস্তুত কৰি, তাৰ ওপৰত গোটেই অংশটো 'বেই' সজাৰ দৰে কলপতুৰাৰে ঢাকি দিয়া হয়। আৰু তাত ৰঙা-নীলা-সেউজীয়া-হালধীয়া আদি বিভিন্নৰঙী কাগজৰ ফুল কাটি, লগাই অতি সুন্দৰকৈ সজাই তোলা হয়। সৌন্দৰ্যবৰ্ধনৰ বাবে মেজিটোৰ ওপৰ অংশটো (টুপত) বিভিন্ন ৰং-বিৰং কাগজৰ ফুল কাটি, সেই ফুলেৰে এটা 'থি' (টুপী বা মুকুট) প্ৰস্তুত কৰি লগাই দিয়ে। তাৰ ওপৰত ময়ূৰ আৰ্হিৰ (মান-কাং) ডাঠ কাগজৰ চৰাই (কোনোৱে টিনেৰে সাজে) আৰু একেবাৰে ওপৰত ৰঙীন কাগজেৰে প্ৰস্তুত কৰা এপাহ মক-মৌ (পদুম ফুল) থাকে। গোটেই মেজিটো কেক্-লা, টৌ-খৌন, চাৰাং (ছাতিৰ দৰে) নামৰ ৰঙীন কাগজৰ তিনিবিধ ফুল কাটি লগোৱা হয়। এই ফুল তিনিবিধ সৰু সৰু বাঁহৰ কাঠীত লগাই, দীঘল বাঁহকেইডাল (মাই-প) ঢাকি ৰখা কলপতুৰাত গুঁজি দিয়ে। ইয়াৰ প্ৰতিপাহ ফুলৰ তাৎপৰ্য আছে। মূল মেজিটোৰ চাৰিওফালে মধ্যমীয়া আকাৰৰ কলপুলি ৰোৱা হয়। সৌন্দৰ্যবৰ্ধনৰ বাবে কলপুলিবোৰৰ গাত বিভিন্ন ফুল গছৰ ঠাল বান্ধি বা গুঁজি দিয়া হয়। কলপুলিবোৰৰপৰা দুই-তিনি ফুটৰ আঁতৰত পাতলকৈ তোলাই লোৱা সৰু সৰু বাঁহৰ কামীৰে (তা-লেও), ডেৰ-দুফুট ওখকৈ মেজিটোৰ চাৰিওফালে চিলিঙি বৈ দিয়া হয়। ইয়াৰ উদ্দেশ্য মেজিটোক সুৰক্ষা দিয়া। উৰুকাৰ দিনা সন্ধিয়ালৈ মেজিটোৰ চাৰিওফালে চাকি-বন্তি জ্বলোৱা হয়। পাছদিনা, অৰ্থাৎ বিহুৰ দিনা পুৱতি নিশা মেজি জ্বলোৱা হয়। কিন্তু মাঘ বিহুৰ মেজিৰ দৰে তলত জুই দি মেজি জ্বলোৱা নহয়। কোনো এজন লোকে গা-পা ধুই, সেৱা-সৎকাৰ কৰি মেজিটোৰ ওপৰলৈ উঠি একেবাৰে ওপৰত জুই লগায়। মেজিটোৰ জুই ওপৰৰপৰাহে তললৈ আহে। অতীতত মেজি জ্বলোৱা পদ্ধতি কিছু বেলেগ আছিল। তেতিয়া মেজিটোৰ টুপটোৰপৰা চাৰি-পাঁচডাল ৰছী টানি আনি মাটিত গোঁজ পুতি বান্ধি দিয়া হৈছিল আৰু সেই ৰছীকেইডালত পেট্ৰলজাতীয় দ্ৰব্য লগাই থোৱা হয়। বিহুৰ দিনা পুৱতি নিশা সেই ৰছীকেইডালত জুই লগাই দিয়ে। তেল পুৰি পুৰি গৈ মেজিটোৰ টুপত জুই লাগে। এইদৰে জ্বলোৱা কাৰ্যটোক তেওঁলোকে 'ৰকেট জুই' বুলি কয়। মেজি জ্বলোৱাৰ পাছত সেই স্থানতে, সমূহীয়াভাৱে আগবঢ়োৱা পিঠা-পনা, খাউ নাম-পা (খিচিৰি) আদি পৰম্পৰাগত নীতি-নিয়ম পালন কৰাৰ পাছত সকলোৱে মিলি আনন্দমনে খায়। তাৰ পাছতহে ঘৰলৈ গৈ বিহুৰ বাবে যা-যোগাৰ কৰা পিঠা-পনা আদি পৰিয়ালৰ লগত একেলগে খায়।

**129.** খাম্‌তিসকলৰ মাঘবিহুৰ মেজিটোৰ টুপৰ একেবাৰে শীৰ্ষত কি থাকে ?

(1) ৰঙীন ত্ৰিকোণ পতাকা এখন (2) ৰঙীন সৰু ছাতি এটা

(3) এপাহ কাগজৰ পদুম ফুল (4) এটা কাগজৰ ময়ূৰ

**130.** খাম্‌তিসকলে তেওঁলোকৰ মেজিটোত ব্যৱহাৰ হোৱা লাগনি খৰিবোৰক কি বুলি কয় ?

(1) মাই-চেম্ (2) মাই-টেক্ (3) হৃত্-তা-ফাই (4) মাই-কপ্



www.careerindia.com

CAREERINDIA

**131.** মেজিটোৰ চাৰিওফালে ডেৰ-দুফুট ওখকৈ সৰু-সৰু বাঁহৰ কামিৰে চিলিঙি কিয় বোৰা হয় ?

(1) সৌন্দৰ্যবৰ্ধনৰ কাৰণে

(2) মেজিটোৰ টুপত জুই জ্বলাবৰ কাৰণে উঠি যাবৰ কাৰণে

(3) মেজিটোৰ সুৰক্ষাৰ কাৰণে

(4) চাকি-বন্তি লগাবৰ কাৰণে

**132.** 'খাউ নাম - পা' কি ?

(1) মাঘ বিহুৰ মেজিৰ টুপ অংশ
(2) মাঘ বিহুৰ মেজি জ্বলোৱা কাৰ্য
(3) খাম্‌তি সকলে প্ৰস্তুত কৰা পিঠা-পনা
(4) খাম্‌তি সকলে প্ৰস্তুত কৰা খিচিৰি

**133.** গদ্যাংশটোত ব্যৱহৃত পিঠা-পনা, ৰং-বিৰং আদি কোন শ্ৰেণীৰ শব্দৰ উদাহৰণ ?

(1) যুৰীয়া শব্দ
(2) উপশব্দ
(3) অনুকাৰ শব্দ
(4) অনুৰূপ শব্দ

**134.** উদ্ধৃত গদ্যাংশত ব্যৱহৃত দুটা সমাৰ্থসূচক শব্দ হৈছে -

(1) উৰুকা আৰু সন্ধিয়া
(2) চাকি আৰু বন্তি
(3) কলপাত আৰু কলপতুৱা
(4) ডেৰফুট-দুফুট

**135.** "সাধাৰণতে খাম্‌তিসকলে তেওঁলোকৰ মাঘ বিহুৰ মেজিটো ছয়কোণীয়াকৈ সাজে।"

— উদ্ধৃত বাক্যটোৰ 'উদ্দেশ্য' নিৰ্ণয় কৰাঁ।

(1) খাম্‌তিসকলে
(2) সাধাৰণতে খাম্‌তিসকলে তেওঁলোকৰ
(3) মেজি সাজে
(4) মেজিটো ছয়কোণীয়াকৈ সাজে

**136.** শিক্ষানীতিত ভাৰতৰ ভাষা (Three Language Formula বা ত্ৰিভাষা নীতি) হৈছে —

(1) হিন্দীত গুৰুত্ব আৰোপ কৰি দ্বিভাষিক শিক্ষা

(2) মাতৃভাষাভিত্তিক বহুভাষিকতা

(3) বহুভাষা শিক্ষা

(4) একভাষিক শিক্ষা

www.careerindia.com

CAREERINDIA

**137.** তলৰ কাহিনীবোৰৰ কোনটোত জীৱ-জন্তু মুখ্য চৰিত্ৰ হয় আৰু কাহিনীটোত এটা সুস্পষ্ট নীতিশিক্ষা থাকে ?

(1) কল্পবিজ্ঞান
(2) ভ্ৰমণ কাহিনী
(3) ফেণ্টাছী
(4) ফেইব্‌ল্

**138.** তলৰ উক্তিকেইটাৰ মাজৰ পৰা শুদ্ধটো নিৰ্বাচন কৰাঁ।

(a) ডিছ্‌লেক্সিয়া হৈছে এক পঠন বিসংগতি
(b) ডিছ্‌গ্ৰাফিআ হৈছে এক লিখন বিসংগতি
(c) ডিছ্‌গ্ৰাফিআ হৈছে এক পঠন বিসংগতি
(d) ডিছ্‌লেক্সিয়া হৈছে এক লিখন বিসংগতি

(1) (a) আৰু (b) দুয়োটাই শুদ্ধ
(2) (c) আৰু (d) দুয়োটাই শুদ্ধ
(3) কেৱল (a) শুদ্ধ
(4) কেৱল (b) আৰু (d) শুদ্ধ

**139.** চৰকাৰী বিদ্যালয়ৰ এগৰাকী শিক্ষকে সপ্তম শ্ৰেণীত ইংৰাজী শিকাবৰ কাৰণে কিছুমান দৃষ্টিবেদ্য উপকৰণ (Visual device ) আৰু কিছুমান ভাষাৰ খেল ব্যৱহাৰ কৰিছে। শিক্ষক গৰাকীয়ে শিক্ষণৰ কোনটো আদৰ্শ প্ৰয়োগ কৰিছে ?

(1) উৎসাহিত কৰা আৰু মনোযোগ বঢ়োৱাৰ আদৰ্শ
(2) জীৱনৰ সৈ সম্পৰ্কিত কৰাৰ আদৰ্শ
(3) স্বাভাৱিক প্ৰক্ৰিয়াৰ আদৰ্শ
(4) অনুশীলন আৰু অভ্যাস গঠনৰ আদৰ্শ

**140.** অৱৰোহী বা নিম্নমুখী (top-down) প্ৰক্ৰিয়াৰ ক্ষেত্ৰত তলৰ কোনটো শুদ্ধ নহয় ?

(1) পৃথিৱীৰ জ্ঞানৰ ব্যৱহাৰ শ্ৰোতাই কৰে
(2) শ্ৰোতাই প্ৰতিটো শব্দৰে অৰ্থ বুজি পাব লাগে
(3) শ্ৰোতাই ইতিমধ্যে থকা জ্ঞানৰ ওপৰত নিৰ্ভৰ কৰে
(4) অভিপ্ৰেত অৰ্থৰ বিষয়ে শ্ৰোতাই কিছুমান অনুমান কৰি লয়

**141.** গঠনাত্মক (formative) মূল্যায়নৰ কাৰণে তলৰ কোনটো আদৰ্শ সামগ্ৰী নহয় ?

(1) প্ৰকল্প কাৰ্য
(2) শ্ৰেণীকক্ষীয় উপস্থাপন
(3) প্ৰদত্ত কাৰ্য
(4) কাগজ-পেঞ্চিল পৰীক্ষা

www.careerindia.com

CAREERINDIA

**142.** শিক্ষাৰ্থীৰ শিকন আৰু বুজিপোৱা স্পষ্ট কৰিবৰ কাৰণে শিক্ষণ-শিকনৰ গোটেই সময়ছোৱাজুৰি কৰা মূল্যায়ন হৈছে —

(1) শিকনত মূল্যায়ন (2) শিকন হিচাপে মূল্যায়ন

(3) শিকিবৰ কাৰণে মূল্যায়ন (4) শিকনৰ মূল্যায়ন

**143.** শিক্ষাৰ্থীক ভাষাৰ সৈতে পৰিচয় কৰোৱাৰ লাগে আৰু তাৰ পাছত শিক্ষাৰ্থীয়ে কৰা ভুলবোৰে শিকন প্ৰক্ৰিয়া চলি থকাৰে নিৰ্দেশ কৰে। এইখিনি তলৰ কোনটোৱে সমৰ্থন কৰে ?

(1) মানৱতাবাদ (2) মনোবিশ্লেষণ

(3) আচৰনবাদ (4) সজ্ঞানাত্মক বা বোধাত্মকবাদ

**144.** ভাষাৰ শিক্ষাত সৃজনীশীলতা হৈছে —

(1) শিক্ষণৰ নতুন পদ্ধতি প্ৰয়োগ কৰা শ্ৰেণীকক্ষীয় কাৰ্য।

(2) যোগাযোগমূলক ভাষা শিক্ষণ ব্যৱহাৰ কৰা শ্ৰেণীকক্ষীয় সামগ্ৰী।

(3) বিবিধ প্ৰকাৰৰ ব্যাখ্যা আৰু উত্তৰ দিব পৰাকৈ শ্ৰেণীকোঠাত মুক্ত-সমাপ্তিৰ শ্ৰেণীকক্ষীয় কাৰ্য।

(4) কিবা এটা বুজি পাবৰ কাৰণে ভিন ভিন বিষয়ৰ উপাদানৰ মিশ্ৰণ।

**145.** তলত দিয়া কোনটো সামগ্ৰীয়ে সমকালিক বা এককালিক (synchronous) আৰু অসমকালিক (asynchronous) অনলাইন শিকন সুযোগ দিয়ে ?

(1) দূৰদৰ্শন

(2) পেড্‌লেট (padlet) বা অনলাইন নটিছ বোৰ্ড

(3) পাঠ্যপুথি

(4) ৰেলৰ টিকট

**146.** ভাষাৰ শিকনত হোৱা ভুল (error)-ৰ ক্ষেত্ৰত তলত দিয়া কোনটো শুদ্ধ নহয় ?

(1) ভাষা শিকন প্ৰক্ৰিয়াটোত ভুলবোৰ এক বিশেষ দিশ

(2) দ্বিতীয় ভাষা আহৰণৰ প্ৰক্ৰিয়াটো বুজি পোৱাত ভুলবোৰে সহায় কৰে

(3) ভাষা শিকন প্ৰক্ৰিয়াটোত ভুলবোৰে বাধাৰ সৃষ্টি কৰে

(4) ভুলবোৰ সদায়ে বেয়া নহয় আৰু এইবোৰে ভাষা শিকাত সহায় কৰে

www.careerindia.com

**147.** ভাষাৰ শ্ৰেণী এটাত শিক্ষকে "স্বাস্থ্যই পৰম ধন" শীৰ্ষক এটা ৰেকৰ্ডিং বজাই শুনাইছে। তাৰ পাছত শিক্ষকগৰাকীয়ে ছাত্ৰ-ছাত্ৰীৰ মাজত হেণ্ড্‌আউট্ কিছুমান বিলাই দি তাৰ পৰা শুদ্ধ বিকল্পবোৰ চিহ্নিত কৰিবলৈ দিছে। এই কাৰ্যৰ উদ্দেশ্য হৈছে —

(1) ধাৰণাবোৰ বিশ্লেষণ কৰিব পৰাকৈ শ্ৰৱণ কৰা

(2) স্বাস্থ্যবিষয়ক শ্ৰাব্য পাঠ এটা মনত ৰখা

(3) স্বাস্থ্যবিষয়ক পাঠ এটাৰ অ'ডিঅ' শুনিব পৰা

(4) কাৰ্য এটাত ছাত্ৰ-ছাত্ৰীক নিমজ্জিত কৰা

**148.** আন্তৰ্জাতিক মাতৃভাষা দিৱস কেতিয়া পালন কৰা হয় ?

(1) এৰৈকশ ফেব্ৰুৱাৰী (2) তেৰ এপ্ৰিল

(3) এক জানুৱাৰী (4) চৈধ্য ফেব্ৰুৱাৰী

**149.** তোমাৰ বন্ধু স্থানীয় সহকৰ্মীলৈ এটা ই-মেইল কৰিবলৈ হ'লে তাৰ লিখন কি ধৰণৰ হ'ব ?

(1) ব্যৱসায়িক (2) যোগাযোগ

(3) অনানুষ্ঠানিক (4) আনুষ্ঠানিক

**150.** ভাষা শিকাবৰ কাৰণে ব্যৱহাৰ কৰা দৈনন্দিন জীৱনৰ সামগ্ৰীবোৰক কি বুলি কোৱা হয় ?

(1) শিক্ষণ সামগ্ৰী (2) পাঠ

(3) ৰিলিআ (4) ভাষা খেল

- o 0 o -

SPACE FOR ROUGH WORK

www.careerindia.com

**তলৰ নিৰ্দেশাৱলীসমূহ মনোযোগেৰে পঢ়াঁ :**

1. ভিন ভিন প্ৰশ্নসমূহৰ উত্তৰ কেনেধৰণে কৰিব লাগিব তাৰ নিৰ্দেশ পৰীক্ষা-পুস্তিকাত দিয়া আছে। প্ৰশ্নসমূহৰ উত্তৰ কৰাৰ আগতে এই পুস্তিকা মনোযোগেৰে পঢ়িবাঁ।

2. প্ৰত্যেক প্ৰশ্নৰে চাৰিটা বিকল্প দিয়া হৈছে। শুদ্ধ উত্তৰটো OMR উত্তৰ পত্ৰৰ দ্বিতীয় পিঠিত **নীলা/ক'লা বল পে'নৰ** ঘূৰণীয়াকৈ বোলাই দিয়া। এবাৰ চিহ্নিত কৰা উত্তৰটো পুনৰবাৰ পৰিবৰ্তন কৰিব নোৱাৰা।

3. উত্তৰ-পত্ৰখন যাতে ভাঁজ কৰা নহয় সেইটো পৰীক্ষাৰ্থীয়ে নিশ্চিত কৰিব লাগিব। পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নম্বৰ উত্তৰ-পত্ৰৰ নিৰ্ধাৰিত স্থানৰ বাহিৰে অন্য ঠাইত নিলিখে যেন।

4. প্ৰশ্নপত্ৰ আৰু উত্তৰ পত্ৰ মনোযোগেৰে ব্যৱহাৰ কৰিবা। কাৰণ প্ৰশ্ন পত্ৰ আৰু উত্তৰ পত্ৰৰ কেৱল ক্ৰমিক সংখ্যাৰ খেলিমেলিৰ বাহিৰে বিকল্প প্ৰশ্ন পত্ৰ আৰু উত্তৰ পত্ৰ দিয়া নহ'ব।

5. পৰীক্ষা পত্ৰ/উত্তৰ পত্ৰত থকা ক্ৰমিক সংখ্যা উপস্থিতি পত্ৰত শুদ্ধভাৱে লিখিবাঁ।

6. OMR উত্তৰ পত্ৰত সাংকেতিক লেখনত থকা তথ্যবোৰ যন্ত্ৰৰ দ্বাৰা পঢ়া হ'ব। সেয়েহে কোনো তথ্য অসম্পূৰ্ণকৈ এৰা অনুচিত আৰু তথ্যসমূহ পৰিচয় পত্ৰত দিয়া তথ্যৰ সৈতে ভিন্ন হ'ব নালাগিব।

7. পৰীক্ষাৰ্থীয়ে পৰীক্ষাগৃহত প্ৰৱেশ পত্ৰৰ বাহিৰ অন্য পাঠ সামগ্ৰী, কাগজ, পেজাৰ, মোবাইল ফোন আদি ইলেকট্ৰনিক সামগ্ৰী ব্যৱহাৰ কৰিব নোৱাৰিব।

8. ম'বাইল ফ'ন, যিকোনো বেতাঁৰ সংযোগ সঁজুলি (আনকি চুইট্‌স্বড্ অফ হৈ থাকিলেও) আৰু অন্যান্য বাৰণ কৰা বা নিষিদ্ধ সামগ্ৰী পৰীক্ষা গৃহলৈ লৈ অনাৰ অনুমতি নাই। এই নিৰ্দেশ অমান্য কৰিলে পৰীক্ষাগৃহত অসৎ উপায় অৱলম্বন কৰা বুলি গণ্য কৰা হ'ব আৰু তেওঁলোকৰ বিৰুদ্ধে পৰীক্ষাৰ বাতিলকৰণকে ধৰি কাৰ্যপন্থা গ্ৰহণ কৰা হ'ব।

9. প্ৰত্যেক পৰীক্ষাৰ্থীয়ে নিৰীক্ষকক প্ৰৱেশ পত্ৰ দেখুৱাব।

10. নিৰীক্ষকৰ বিনা অনুমতিত পৰীক্ষাৰ্থীয়ে বাহিৰলৈ যাব নোৱাৰিব।

11. পৰীক্ষাৰ্থীয়ে কাৰ্যৰত নিৰীক্ষকক উত্তৰ বহী নিদিয়াকৈ তথা উপস্থিতি বহীত দ্বিতীয়বাৰ স্বাক্ষৰ নকৰাকৈ পৰীক্ষা গৃহ ত্যাগ কৰিব নোৱাৰিব। যদি পৰীক্ষাৰ্থীয়ে দ্বিতীয়বাৰ উপস্থিতি বহীত স্বাক্ষৰ নকৰে তেনেহলে উত্তৰ পত্ৰ নিদিয়া বুলি ধৰি লোৱা হ'ব আৰু ইয়াক অনুচিত কাৰ্য বুলি বিবেচনা কৰা হ'ব। **পৰীক্ষাৰ্থীয়ে সৰ্বদা উপস্থিতি বহিৰ খালি ঠাইত বাঁও হাতৰ বুঢ়া অঙ্গুলিৰ ছাপ ৰখা লাগিব।**

12. ইলেকট্ৰনিক/ হস্তচালিত কেলকুলেটৰৰ প্ৰয়োগ কৰিব নোৱাৰিব।

13. পৰীক্ষা গৃহত পৰীক্ষাৰ্থী বোৰ্ডৰ নিয়ম অনুসাৰে পৰিচালিত হ'ব লাগিব। সকলো অনুচিত কাৰ্যৰ বাবে বোৰ্ডৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

14. কোনো কাৰণতে পৰীক্ষাৰ্থীয়ে পৰীক্ষা পত্ৰ আৰু উত্তৰ পত্ৰ কোনো অংশকেই পৃথক কৰিব নোৱাৰিব।

15. **পৰীক্ষাৰ অন্তত পৰীক্ষাৰ্থীয়ে পৰীক্ষা গৃহ ত্যাগ কৰাৰ পূৰ্বে উত্তৰ পত্ৰ নিৰীক্ষকৰ হাতত জমা দিব লাগিব। পৰীক্ষাৰ্থীয়ে পৰীক্ষা পত্ৰ লগত নিব পাৰে।**

www.careerindia.com

CAREERINDIA

## निम्नलिखित निर्देशों को ध्यान से पढ़ें :

1. जिस प्रकार से विभिन्न प्रश्नों के उत्तर दिए जाने हैं उसका वर्णन परीक्षा पुस्तिका में किया गया है, जिसे आप प्रश्नों का उत्तर देने से पहले ध्यान से पढ़ लें।
2. प्रत्येक प्रश्न के लिए दिए गए चार विकल्पों में से सही उत्तर के लिए OMR उत्तर पत्र के **पृष्ठ-2** पर केवल एक वृत्त को ही पूरी तरह **नीले/काले बॉल पॉइन्ट पेन** से भरें। एक बार उत्तर अंकित करने के बाद उसे बदला नहीं जा सकता है।
3. परीक्षार्थी सुनिश्चित करें कि इस उत्तर पत्र को मोड़ा न जाए एवं उस पर कोई अन्य निशान न लगाएँ। परीक्षार्थी अपना अनुक्रमांक उत्तर-पत्र में निर्धारित स्थान के अतिरिक्त अन्यत्र न लिखें।
4. परीक्षा पुस्तिका एवं उत्तर पत्र का ध्यानपूर्वक प्रयोग करें, क्योंकि किसी भी परिस्थिति में (केवल परीक्षा पुस्तिका एवं उत्तर पत्र के कोड या संख्या में भिन्नता की स्थिति को छोड़कर) दूसरी परीक्षा पुस्तिका उपलब्ध नहीं करायी जाएगी।
5. परीक्षा पुस्तिका/उत्तर पत्र में दिए गए परीक्षा पुस्तिका कोड व संख्या को परीक्षार्थी सही तरीके से उपस्थिति-पत्र में लिखें।
6. OMR उत्तर पत्र में कोडित जानकारी को एक मशीन पढ़ेगी। इसलिए कोई भी सूचना अधूरी न छोड़ें और यह प्रवेश-पत्र में दी गई सूचना से भिन्न नहीं होनी चाहिए।
7. परीक्षार्थी द्वारा परीक्षा हॉल/कक्ष में प्रवेश-पत्र के सिवाय किसी प्रकार की पाठ्य-सामग्री, मुद्रित या हस्तलिखित, कागज़ की पर्चियाँ, पेजर, मोबाइल फोन, इलेक्ट्रॉनिक उपकरण या किसी अन्य प्रकार की सामग्री को ले जाने या उपयोग करने की अनुमति नहीं है।
8. मोबाइल फोन, बेतार संचार युक्तियाँ (स्विच ऑफ अवस्था में भी) और अन्य प्रतिबंधित वस्तुएँ परीक्षा हॉल/कक्ष में नहीं लाई जानी चाहिए। इस सूचना का पालन न होने पर इसे परीक्षा में अनुचित साधनों का प्रयोग माना जाएगा और परीक्षार्थी विरुद्ध कार्यवाही की जाएगी, परीक्षा रद्द करने सहित।
9. पूछे जाने पर प्रत्येक परीक्षार्थी, निरीक्षक को अपना प्रवेश-पत्र दिखाएँ।
10. केन्द्र अधीक्षक या निरीक्षक की विशेष अनुमति के बिना कोई परीक्षार्थी अपना स्थान न छोड़ें।
11. कार्यरत निरीक्षक को अपना उत्तर पत्र दिए बिना एवं उपस्थिति-पत्र पर दुबारा हस्ताक्षर किए बिना परीक्षार्थी परीक्षा हॉल/कक्ष नहीं छोड़ेंगे। यदि किसी परीक्षार्थी ने दूसरी बार उपस्थिति-पत्र पर हस्ताक्षर नहीं किए, तो यह माना जाएगा कि उसने उत्तर पत्र नहीं लौटाया है और यह अनुचित साधन का मामला माना जाएगा। **परीक्षार्थी अपने बाएँ हाथ के अंगूठे का निशान उपस्थिति-पत्र में दिए गए स्थान पर अवश्य लगाएँ।**
12. इलेक्ट्रॉनिक/हस्तचालित परिकलक का उपयोग वर्जित है।
13. परीक्षा हॉल/कक्ष में आचरण के लिए परीक्षार्थी परीक्षण संस्था के सभी नियमों एवं विनियमों द्वारा नियमित हैं। अनुचित साधनों के सभी मामलों का फैसला परीक्षण संस्था के नियमों एवं विनियमों के अनुसार होगा।
14. किसी भी परिस्थिति में परीक्षा पुस्तिका और उत्तर पत्र का कोई भाग अलग न करें।
15. **परीक्षा सम्पन्न होने पर, परीक्षार्थी हॉल/कक्ष छोड़ने से पूर्व उत्तर पत्र निरीक्षक को अवश्य सौंप दें।** ***परीक्षार्थी अपने साथ इस परीक्षा पुस्तिका को ले जा सकते हैं।***

## READ THE FOLLOWING INSTRUCTIONS CAREFULLY :

1. The manner in which the different questions are to be answered has been explained in the Test Booklet which you should read carefully before actually answering the questions.
2. Out of the four alternatives for each question, only one circle for the correct answer is to be darkened completely with **Blue / Black Ball Point Pen** on **Side-2** of the OMR Answer Sheet. The answer once marked is not liable to be changed.
3. The candidates should ensure that the Answer Sheet is not folded. Do not make any stray marks on the Answer Sheet. Do not write your Roll No. anywhere else except in the specified space in the Answer Sheet.
4. Handle the Test Booklet and Answer Sheet with care, as under no circumstances (except for discrepancy in Test Booklet Code or Number and Answer Sheet Code or Number), another set will be provided.
5. The candidates will write the correct Test Booklet Code and Number as given in the Test Booklet/Answer Sheet in the Attendance Sheet.
6. A machine will read the coded information in the OMR Answer Sheet. Hence, no information should be left incomplete and it should not be different from the information given in the Admit Card.
7. Candidates are not allowed to carry any textual material, printed or written, bits of papers, pager, mobile phone, electronic device or any other material except the Admit Card inside the examination hall/room.
8. Mobile phones, wireless communication devices (even in switched off mode) and the other banned items should not be brought in the examination halls/rooms. Failing to comply with this instruction, it will be considered as using unfair means in the examination and action will be taken against the candidate including cancellation of examination.
9. Each candidate must show on demand his/her Admit Card to the Invigilator.
10. No candidate, without special permission of the Centre Superintendent or Invigilator, should leave his/her seat.
11. The candidates should not leave the Examination Hall/Room without handing over their Answer Sheet to the Invigilator on duty and sign the Attendance Sheet twice. Cases where candidate has not signed the Attendance Sheet second time will be deemed not to have handed over the Answer Sheet and dealt with as an unfair means case. **The candidates are also required to put their left hand THUMB impression in the space provided in the Attendance Sheet.**
12. Use of Electronic/Manual Calculator is prohibited.
13. The candidates are governed by all Rules and Regulations of the Examining Body with regard to their conduct in the Examination Hall/Room. All cases of unfair means will be dealt with as per Rules and Regulations of the Examining Body.
14. No part of the Test Booklet and Answer Sheet shall be detached under any circumstances.
15. **On completion of the test, the candidate must hand over the Answer Sheet to the Invigilator in the Hall / Room.** ***The candidates are allowed to take away this Test Booklet with them.***

www.careerindia.com